**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-04-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

আজি বিশ্ব স্বাস্থ্য দিৱস। জনসাধাৰণৰ মাজত স্বাস্থ্য সচেতনতা বৃদ্ধিৰ উদ্দেশ্যে সমগ্ৰ বিশ্বতে আজি বিশ্ব স্বাস্থ্য দিৱস পালন কৰা হৈছে। প্ৰতিবছৰে এই দিনটোতে বিশ্ব স্বাস্থ্য দিৱস পালন কৰি স্বাস্থ্য সংক্ৰান্তীয় এটা বিশেষ বিষয় সন্দৰ্ভত মানুহৰ মাজত সচেতনতা সৃষ্টিৰ প্ৰয়াস চলাই অহা হৈছে। ১৯৪৮ চনৰ আজিৰ এই দিনটোতেই বিশ্ব স্বাস্থ্য সংস্থাৰ জন্ম হৈছিল। এই বছৰৰ বিশ্ব স্বাস্থ্য দিৱসৰ প্ৰতিপাদ্য বিষয়বস্তু হৈছে- **স্বাস্থ্যৱান আৰম্ভণি, আশাপূৰ্ণ ভৱিষ্যৎ**। এই বিষয়টোৰ জৰিয়তে বিভিন্ন ৰোগ, মানসিক স্বাস্থ্যৰ প্ৰত্যাহ্বান সম্পৰ্কে সচেতনতা সৃষ্টি আৰু সমগ্ৰ বিশ্বতে স্বাস্থ্যক অগ্ৰাধিকাৰ দিয়াৰ চেষ্টা কৰা হৈছে। প্ৰতিবছৰে বিশ্ব স্বাস্থ্য সংস্থাই এই দিৱসৰ বাবে এটা বিশেষ বিষয়ত আলোকপাত কৰে। ১৯৫০ চনত বিশ্ব স্বাস্থ্য সংস্থাৰ দ্বাৰা প্ৰথমবাৰৰ বাবে এই দিৱস উদযাপন কৰা হৈছিল।

oooooo

বিশ্ব স্বাস্থ্য দিৱসৰ লগত সংগতি ৰাখি মানৱ কল্যাণ সেৱা সংস্থাৰ সৌজন্যত ডিব্ৰুগড় জিলা স্বাস্থ্য বিভাগ আৰু ডিব্ৰুগড় লায়ন্স ক্লাবৰ সহযোগত জকাই ছাবিশঘৰীয়া অঞ্চলৰ আজি এটা বিনামূলীয়া স্বাস্থ্য সেৱাৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত ডাঃ প্ৰণিত কুমাৰ চৌধুৰী, ডাঃ অলক বৰুৱাকে ধৰি কেইবাজনো অভিজ্ঞ চিকিৎসকে বহুসংখ্যক লোকক বিনামূলীয়া চিকিৎসা প্ৰদান কৰে। মানৱ কল্যাণ সেৱা সংস্থাৰ সম্পাদিকা ডাঃ মালাৱাণী দেৱীদত্ত আৰু লায়ন্স ক্লাবৰ সভাপতি ৰক্তিম গগৈয়ে আঁত ধৰা অনুষ্ঠানটিত ১০০ ৰো অধিক ব্যক্তিয়ে চিকিৎসা সেৱা গ্ৰহণ কৰে। মানৱ কল্যাণ আৰু লায়ন্সৰ কৰ্মকৰ্তাসকলৰ সক্ৰিয় সহযোগত অনুষ্ঠিত এই চিকিৎসা শিবিৰত বিদ্যালয়ৰ প্ৰধান শিক্ষককে প্ৰমুখ্য কৰি বহুসংখ্যক লোকৰ উপস্থিতিয়ে কাৰ্যসূচী সফল কৰি তোলে।

ooooooooo

সমাগত পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া কোনো প্ৰাৰ্থীয়ে ফৌজদাৰী গোচৰত অভিযুক্ত হ'ব নোৱাৰিব বুলি শেহতীয়াকৈ ৰাজ্যিক নিৰ্বাচন আয়োগে জাৰি কৰা অধিসূচনাত উল্লেখ কৰিছে। কোনো প্ৰাৰ্থীৰ বিৰুদ্ধে দুবছৰ বা ততোধিক কাৰাবাস খাটিব লগীয়া কোনো অভিযোগ থাকিব নোৱাৰিব বুলিও অধিসূচনাত কোৱা হৈছে। তদুপৰি লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ দৰে পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীয়েও নিজৰ স্থাৱৰ, অস্থাৱৰ সম্পত্তিৰ হিচাপ দাখিল কৰিব লাগিব। পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থীৰ অৰ্হতা সন্দৰ্ভত শেহতীয়াকৈ নিৰ্বাচন আয়োগে অধিসূচনা জাৰি কৰিছিল। এই অনুসৰি মনোনয়ন পত্ৰ দাখিলৰ সময়ত প্ৰাৰ্থীসকলে নিজৰ সম্পত্তিৰ হিচাপৰ শপতনামা জমা দিব লাগিব। কোনো প্ৰাৰ্থী বা প্ৰাৰ্থীগৰাকীৰ পত্নীয়ে বাল্য বিবাহ আইন, ২০০৬ ভংগ কৰিব নোৱাৰিব। একেদৰে এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ বিচৰা প্ৰাৰ্থীৰ বয়স ২১ বছৰৰ তলত হ'ব নোৱাৰিব বুলিও কোৱা হৈছে। প্ৰতিগৰাকী প্ৰাৰ্থীৰ বাসগৃহত অনাময় শৌচাগাৰ থাকিব লাগিব। তদুপৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা কোনো প্ৰাৰ্থীৰ দুটাতকৈ অধিক সন্তান থাকিব নোৱাৰিব বুলি কোৱা হৈছে। গাঁও পঞ্চায়তৰ সদস্যৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীৰ ন্যূনতম অৰ্হতা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। অনুসূচিত জাতি, অনুসূচিত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থীৰ ন্যূনতম অৰ্হতা দশম শ্ৰেণীত অধ্যয়ন কৰা হ'ব লাগিব। একেদৰে আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ সদস্যৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ বিচৰা প্ৰাৰ্থীৰ ন্যূনতম অৰ্হতা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা হ'ব লাগিব বুলি অধিসূচনাত উল্লেখ কৰা হৈছে। এই নিৰ্বাচনত জিলা পৰিষদৰ সদস্যই ১০ লাখ, আঞ্চলিক পঞ্চায়তৰ সদস্যই আঢ়ৈ লাখ আৰু গাঁও পঞ্চায়তৰ সদস্যই ২৫ হাজাৰ টকা পৰ্যন্ত ব্যয় কৰিব পাৰিব বুলি আয়োগে অধিসূচনাত উল্লেখ কৰিছে।

ooooooo

পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যত শাসক-বিৰোধী উভয়পক্ষই নিৰ্বাচনী তৎপৰতা অব্যাহত ৰাখিছে। অহা ২ আৰু ৭ মে'ত হ'বলগীয়া নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে ভোটাৰৰ কাষ চপাৰ বাবে পৰিকল্পনা যুগুত কৰিছে। বিজেপিয়ে পঞ্চায়ত নিৰ্বাচনৰ সংকল্প পত্ৰৰ বাবে ৰাইজৰ পৰা পৰামৰ্শ বিচাৰিছে। দলটোৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই জনসাধাৰণক ই-মেইল, হোৱাটছএপ অথবা লিখিতভাৱে তেওঁলোকৰ দিহা-পৰামৰ্শসমূহ পোনপটীয়াকৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনাইছে। জনসাধাৰণে panchayatsankalpatra@gmail.com অথবা ৯১০১৬ ৬৪৫৯৩ নম্বৰত হোৱাটছএপ যোগে তেওঁলোকৰ পৰামৰ্শসমূহ অহা ১০ এপ্ৰিলৰ ভিতৰত প্ৰেৰণ কৰিব পাৰিব। ইপিনে, এইবাৰ পঞ্চায়ত নিৰ্বাচনত শাসকীয় বিজেপি আৰু অগপই বুজাবুজিৰে নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। গোলাঘাট জিলা বিজেপি কাৰ্যালয়ত কালি অনুষ্ঠিত এখন বৈঠকত জিলাখনৰ পাঁচটা বিধানসভা সমষ্টিৰ বিধায়কসকলক নিজ নিজ অঞ্চলত মিত্ৰতাৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ দায়িত্ব দিয়া হয়। আসন বুজাবুজিৰে বিধায়কসকলে প্ৰাৰ্থী তালিকা প্ৰস্তুত কৰিব পাৰিব। এই বৈঠকত মন্ত্ৰী অজন্তা নেওগ, বিমল বৰা, অতুল বৰা, বিধায়ক বিশ্বজিৎ ফুকন, ভবেন্দ্ৰনাথ ভৰালী, বিজেপি আৰু অগপৰ জিলা সভাপতি উপস্থিত থাকে।

সমাগত পঞ্চায়ত নিৰ্বাচনত ৰঙিয়া বিধানসভা সমষ্টিত বিজেপিয়ে মিত্ৰতাৰ ধৰ্ম পালন কৰি বুজাবুজিৰে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি ৰঙিয়া সমষ্টিৰ বিজেপিৰ বিধায়ক ভবেশ কলিতাই প্ৰকাশ কৰিছে। কালি এখন সংবাদমেলত বিধায়কগৰাকীয়ে কয়, যে বিধানসভা সমষ্টিটোৰ অন্তৰ্গত ২৫ খন পঞ্চায়ত আৰু ৪ খন জিলা পৰিষদত বিজেপিৰ সৈতে মিত্ৰদলসমূহে বুজাবুজিৰ মাজেৰে আসনৰ ভাগ-বটোৱাৰা কৰিব।

০০০০০০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি জিলা পৰিষদ সমষ্টি, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ দায়িত্বপ্ৰাপ্ত অনুমোদিত বিষয়াসকলৰ মাজত সমাগত পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। অহা ২ মে'ত জিলাখনৰ ২২ খন জিলা পৰিষদ, ৭ খন আঞ্চলিক পঞ্চায়ত আৰু ৯৩ খন গাঁও পঞ্চায়তৰ অন্তৰ্গত ৯৩০ টা ৱাৰ্ডৰ সদস্য পদৰ বাবে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০০০

শিৱসাগৰ নগৰৰ সমীপৰ ৰংঘৰ চাৰিআলি ঢুলীয়াপাৰত এগৰাকী মহিলাক স্বামী আৰু শাহুৰেকে হত্যা কৰাৰ অভিযোগত কালি নিশা উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে বুলি আমাৰ শিৱসাগৰৰ সংবাদদাতাই জনাইছে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত আজি হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাৰ পৰা আৰম্ভ হ'ব। হায়দৰাবাদত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত কালি নিশা গুজৰাট টাইটানছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৭ উইকেটত পৰাস্ত কৰে।

০০০০০০০০০